অধ্যায় ১৩ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৫

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্য — (ক)
১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৫ অধিক জানিবলৈ
১৩.৬ অগ্রগতিৰ খতিয়ান
১৩.৭ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া প্রবন্ধ, সমালোচনা আৰু জীৱনী-আত্মজীৱনী সম্পর্কে অৱগত হ'ব
- স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া প্রবন্ধ, সমালোচনাৰ বিষয়বস্তু তথা লেখকসকলৰ বিষয়ে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব
- স্বাধীনতাৰ পৰৱৰ্তীকালত লিখা অসমীয়া জীৱনী-আত্মজীৱনীসমূহৰ লগত পৰিচিতি লাভ কৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া উপন্যাস সম্পর্কে অধ্যয়ন কৰিলে। সেই অধ্যায়টোত নিশ্চয় দেখিছে যে স্বৰাজোত্তৰ কালত অসমীয়া উপন্যাস সাহিত্যয়ো বহু নতুন নতুন দিশ সামৰি ল'লে। নতুন নতুন ঔপন্যাসিকে বিভিন্ন ধৰণৰ কলা-কৌশল, কথকতা প্রয়োগ কৰি অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধ কৰিলে।

এই অধ্যায়টোত আমি স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্যৰ অর্ন্তভুক্ত প্রবন্ধ, সমালোচনা সাহিত্য, জীৱনী আৰু আত্মজীৱনী সম্পর্কে অধ্যয়ন কৰিম। অধ্যায়টোত অধ্যয়নে আপোনাক স্বৰাজোত্তৰ কালত অসমীয়া সাহিত্যৰ এই চাৰিটা ধাৰা সম্পর্কে সম্যক ধাৰণা প্রদান কৰিব।

১৩.৩ স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্য — (ক)

স্বাধীনতা লাভৰ পাছত ডেৰ কুৰি বছৰৰ ভিতৰত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ

উপৰি ধর্ম, বিজ্ঞান, জীৱনী, ভ্রমণ, সমালোচনা সাহিত্য ইত্যাদি অনেক বিষয়ৰ গ্রন্থ প্রকাশ পাইছে। তদুপৰি অসমীয়া সাহিত্যৰ বিচাৰতো গতিশীলতা আৰু মননশীলতা প্রকাশ পাইছে, নতুন পদ্ধতি আৰু দৃষ্টিভঙ্গীৰে সাহিত্যৰ মূল্যায়ন কৰিব বিচৰা হৈছে।

- **প্রবন্ধ আৰু সমালোচনা সাহিত্য ঃ** স্বৰাজোত্তৰ কালৰ প্রথম দশক তিনিটাত প্রবন্ধ ৰচনাৰ ক্ষেত্রত আমি দুই ধৰণৰ ধাৰা দেখিবলৈ পাওঁ— এক হ'ল হাস্য ৰসাত্মক নিবন্ধ আৰু দ্বিতীয় ভাগটো হল দার্শনিক, ঐতিহাসিক, ধার্মিক বা আন তথ্যপূর্ণ প্রবন্ধ। এই সময়ছোৱাত ব্যক্তিনিষ্ঠ, লঘু ৰস-ৰচনা কিছু পৰিমাণে জনপ্রিয় হৈছিল। বিশেষকৈ ইংৰাজ লেখক চার্লচ লেম্ব, ৰবার্ট লিণ্ড, ষ্টিফেন লিকক, জি কে চেষ্টার্টন আদিৰ প্রভাৱত অসমীয়া সাহিত্যিকসকলে ৰসঘন পৰিৱেশ, অনুভূতিৰ প্রাধান্যৰে এই শ্রেণীৰ ৰচনা লিখিবলৈ ললে। লক্ষ্মীনাথ বেজবৰুৱাই লিখা *ভাবৰ বুৰবুৰণি, কৃপাবৰ বৰুৱাৰ বুলনি* আদিয়েই এই শ্রেণীৰ অসমীয়া ৰচনাৰ আদিতম নিদর্শন বুলি সত্যেন্দ্রনাথ শর্মাই মন্তব্য কৰিছে। ডাক্তৰ হেমচন্দ্র বৰুৱাই *চপনীয়া, মোৰ ঘৰখন, নৰগ্রহ* লিখিছিল স্বাধীনতাৰ ঠিক পৰৱর্তী সময়তে। ইয়াৰ পাছতে কুমাৰ মধুসূদনে *কিমাশ্চর্যম* (1950), তিলক হাজৰিকাই *আড্ডা* (1958), *ক'ত কথা* (1960), হেমচন্দ্র শর্মাই *বাটৰ দূৰৰিবন* (1957), *স্বাগত* (1962); কীর্তিনাথ হাজৰিকাই *নাৰদৰ ডায়েৰী* (1970), কিৰণ শর্মাই *কিমিদং ব্যাহৃতং ময়া* (1958), ভদ্র বৰাই *অর্ধং ত্যজতি* (1957) আৰু *মধুৰেণ* (1961), লীলা গগৈয়ে *কপলিং ছিগা ৰেল* (1961), প্রেমনাৰায়ণ দত্তই *ৰসমাধুৰী* (1959) আদি লিখি এই ধাৰাটোক সমৃদ্ধ কৰিছিল।

ইয়াৰ পাছতেই আহিল সংস্কৃতি, দার্শনিক ভাবাপন্ন, ঐতিহাসিক, ধার্মিক বা আন তথ্যপূর্ণ প্রবন্ধ। এই সময়ছোৱাত লিখা কেইখনমান উল্লেখযোগ্য তেনে প্রবন্ধ পুথিৰ নাম আৰু ৰচকৰ নাম তলত উল্লেখ কৰা হল— বিৰিঞ্চি কুমাৰ বৰুৱাৰ *অসমীয়া ভাষা আৰু সংস্কৃতি* (1957), *অসমৰ লোক-সংস্কৃতি* (1961); মহেশ্বৰ নেওগৰ *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি* (1957), *পবিত্র অসম* (1960); নকুলচন্দ্র ভূঞাৰ *বাৰভূঞাৰ চমু বৰঞ্জী* (1960) আৰু *চাহ-বাগিচাৰ বনুৱা* (1960); লীলা গগৈৰ *বুৰঞ্জীয়ে পৰশা নগৰ* (1958), *হেৰুৱা দিনৰ কথা* (1958), *আহোম জাতি আৰু অসমীয়া সংস্কৃতি* (1961), *সীমান্তৰ মাটি আৰু মানুহ* (1964); অতুলচন্দ্র হাজৰিকাৰ *উছৰৰ ভোগজৰা* (1962), *উছৰৰ বংচৰা* (1962); বিশ্বনাৰায়ণ শাস্ত্রীৰ *ভাৰতীয় সভ্যতা আৰু সংস্কৃতি* (1960), ভুবন মোহন দাসে লিখা নৃতত্ত্ব বিষয়ক *পুথি মানৰৰ আদিকথা* (1960) আৰু *বিৱর্তনৰ পথত মানুহ* (1960); দর্শনৰ বিষয়ে লিখা ৰাধানাথ ফুকনৰ *বেদান্ত দর্শন* (1951), *সাংখ্য দর্শন* (1949), *কথাৰে উপনিষদ* (1954), *বিজ্ঞানৰ সিপাৰে* (1957); ভবানন্দ দত্তৰ *দৃষ্টি আৰু দর্শন* (1954) আদিৰ নাম লেখত ল'বলগীয়া। ইয়াৰ উপৰি আন বহু লেখকেও বিভিন্ন প্রবন্ধ পুথিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

স্বৰাজোত্তৰ কালৰ আৰম্ভণিতেই অসমীয়া সমালোচনা সাহিত্যই বিকাশ লাভ কৰে। এই ক্ষেত্রত আমি প্রথমেই নাম ল'ব লাগিব হেম বৰুৱাৰ। তেওঁৰ *আধুনিক সাহিত্য*

(1962)খন লেখত ল'বলগীয়া। ভৱানন্দ দত্তই *অসমীয়া কবিতাৰ কাহিনী* (1959) আৰু *ৰবীন্দ্ৰ প্ৰতিভা* (1961) ৰচনা কৰি প্ৰগতিবাদী চিন্তাৰে সাহিত্য সমালোচনা কৰাৰ নতুন ধাৰা এটাৰ পোষকতা কৰিছিল। পৰৱৰ্তী সময়ত তীৰ্থনাথ শৰ্মাই *পঞ্চপুষ্প* (1968), *সাহিত্য বিদ্যা পৰিক্ৰমা* (1964); মনোৰঞ্জন শাস্ত্ৰীয়ে *সাহিত্য দৰ্শন* (1962), *বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা* (1965) ৰচনা কৰে। আলোচ্য সময়ছোৱাতে ত্ৰৈলোক্যনাথ গোস্বামীয়ে *সাহিত্য আৰু সমালোচনা* (1950), *আধুনিক গল্প সাহিত্য* (1965), *ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ* (1970), *সমুদ্ৰ মন্থন* (1968) ৰচনা কৰে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীকে ধৰি সাহিত্যৰ বিভিন্ন দিশৰ আলোচনামূলক গ্ৰন্থও এই কালছোৱাতে প্ৰকাশ হয়। ইয়াৰ গুৰি ধৰিছিল ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰনাথ শৰ্মাই। ডিম্বেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (1967), মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (1962) আৰু সত্যেন্দ্ৰনাথ শৰ্মাই *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* (1959) প্ৰকাশ কৰিছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* (1959)খন 1981 চনত *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* নামেৰে পৰিৱৰ্ধিত ৰূপত প্ৰকাশ পায়। মহেশ্বৰ নেওগে অসমীয়া সাহিত্য, সংগীত, নৃত্য, ভাস্কৰ্য, চিত্ৰশিল্প, সমাজ আদি প্ৰায় সকলো দিশতে সমালোচনামূলক দৃষ্টিভঙ্গী প্ৰদৰ্শন কৰি কেইবাখনো গ্ৰন্থ সম্পাদনা কৰি প্ৰকাশ কৰিছে। তাৰে ভিতৰত উল্লেখযোগ্য কেইখনমান হ'ল— *কীৰ্ত্তন ঘোষা (1955), নামঘোষা (1955), সঞ্চয়ন (1959), অসমীয়া প্ৰেম গাথা (1960), আধুনিক অসমীয়া সাহিত্য (1965), অসমীয়া গীতি-সাহিত্য (1948), পাঠ সমীক্ষা* আদি। সত্যেন্দ্ৰনাথ শৰ্মায়ো সাহিত্যৰ বুৰঞ্জীৰ লগতে *অসমীয়া নাট্য সাহিত্য (1962), অসমীয়া উপন্যাসৰ ভূমিকা (1955), অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ* (1970) এই সময়ছোৱাতে প্ৰকাশ কৰে।

এই সময়ছোৱাত ৰচিত আন কেইখনমান উল্লেখযোগ্য সমালোচনামূলক পুথিৰ নাম হল— অতুলচন্দ্ৰ বৰুৱাৰ *অসমীয়া কাব্যত প্ৰেমৰ বোৱঁতী সুঁতি (1970), সমালোচনা-সাহিত্য (1958), সাহিত্যৰ ৰূপৰেখা* (1947); বাপচন্দ্ৰ মহন্তৰ *জীৱন আৰু সাহিত্য (1964), ভাৰতীয় ধৰ্ম সাধনা (1967), নামঘোষাৰ তত্ত্ব দৰ্শন* (1978); উমাকান্ত শৰ্মাৰ *কাব্যভূমি* (1948); যোগীৰাজ বসুৰ *বেদৰ পৰিচয়* (1970); প্ৰফুল্ল দত্ত গোস্বামীৰ *সাহিত্য আৰু জীৱন (1956), অসমীয়া জন-সাহিত্য* (1948); বিৰিঞ্চি কুমাৰ বৰুৱাৰ *অসমীয়া কথা সাহিত্য* (1950); উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ *অসমীয়া ৰামায়ণী সাহিত্য* (1948); উপেন্দ্ৰ নাথ গোস্বামীৰ *ভাষা আৰু সাহিত্য* (1956); হেমন্ত কুমাৰ শৰ্মাৰ *অসমীয়া সাহিত্যত দৃষ্টিপাত* (1961); সত্যপ্ৰসাদ বৰুৱাৰ *নাটক আৰু অভিনয় প্ৰসঙ্গ* (1962); হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি* (1968); ভুবনেশ্বৰী বৈশ্যৰ *বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্য* (1964); নন্দ তালুকদাৰৰ *কবি আৰু কবিতা*

(1969); মহেন্দ্র বৰাৰ *অসমীয়া কবিতাৰ ছন্দ* (1962) আদি।

এওঁলোকৰ উপৰি মহেশ চন্দ্র দেৱ গোস্বামী, ৰজনীকান্ত দেৱশর্মা, মুকুন্দ মাধৱ শর্মা, প্রমোদ চন্দ্র ভট্টাচার্য, পৰাগ চলিহা, যতীন্দ্র নাথ গোস্বামী, বীৰেন বৰকটকী, পৰীক্ষিত হাজৰিকা, ৰামমল ঠাকুৰীয়া, শশী শর্মা, হৰিনাথ শর্মা দলৈ, প্রফুল্ল কটকী, ভৱপ্রসাদ চলিহা আদি ভালেসংখ্যক লেখকে তেওঁলোকৰ নিজৰ নিজৰ বিষয় তথা এলেকাত সমালোচনামূলক গ্রন্থ প্রণয়নেৰে দক্ষতাৰ পৰিচয় দিছে। এই প্রসঙ্গত মুকুন্দ মাধৱ শর্মাৰ *উপমা কালিদাসস্য*, বীৰেন বৰকটকীৰ *সাহিত্যৰ আভাস*, পৰীক্ষিত হাজৰিকাৰ *চর্যাপদ*, ৰামমল ঠাকুৰীয়াৰ *সাহিত্য বিচাৰ*, প্রফুল্ল কটকীৰ *ক্রমবিকাশত অসমীয়া কথাশৈলী* আদি গ্রন্থৰ নাম ল'ব পাৰি।

উপেন্দ্র নাথ শর্মা, নলিনীধৰ ভট্টাচার্য আৰু জ্ঞানানন্দ শর্মা পাঠকে অসমীয়া কবিতা সম্পর্কে কেইবাখনো মূল্যৱান সমালোচনাত্মক পুথিৰ সংযোজন আগবঢ়াইছে। একেদৰে ইমদাদ উল্লাহৰ *কবিতাৰ সবিশেষ* লেখত ল'বলগীয়া সমালোচনামূলক গ্রন্থ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্বৰাজোত্তৰ কালৰ প্রথম দশক তিনিটাত প্রবন্ধ ৰচনাৰ আমি কি ধৰণৰ ধাৰা দেখিবলৈ পাওঁ?

.....

প্রশ্ন নং ২ ঃ কোনে কি পুথি ৰচনা কৰি আমাৰ আলোচ্য কালছোৱাত প্রগতিবাদী চিন্তাৰে সাহিত্য সমালোচনা কৰাৰ নতুন ধাৰা এটাৰ পোষকতা কৰিছিল?

.....

আমাৰ আলোচ্য সময়ছোৱাতে হীৰেন গোহাঁই আৰু ভৱেন বৰুৱাই ইংগ-মার্কিন নতুন সমালোচনাৰ আদর্শ আগত ৰাখি সাহিত্যৰ বিচাৰত অৱতীর্ণ হয়। সূক্ষ্ম অনুসন্ধান, মননশীলতা আৰু আধুনিক বিশ্লেষণৰ ক্ষেত্রত দুয়োগৰাকীয়ে কৃতিত্বৰ পৰিচয় দিছে। হীৰেন গোহাঁইৰ আদর্শ সমাজতাত্ত্বিক। শৈলেন ভৰালীৰ ভাষাৰে ক'ব পাৰি— "মার্ক্সীয় দর্শনৰ প্রেৰণাৰে সমাজ বাস্তৱতাৰ প্রতি সজাগ হৈ সাহিত্য কর্মৰ তাৎপর্য উপলব্ধি কৰাৰ চেষ্টা তেওঁৰ ৰচনাত আছে। কিন্তু মার্ক্সীয় দর্শনৰ প্রভাৱে তেওঁৰ প্রথম স্তৱৰ সমালোচনামূলক ৰচনাসমূহত সমালোচকৰ নিৰপেক্ষতা আৰু উদাৰতা অপহৰণ কৰা নাই। সাহিত্য কৃতিৰ লগত জীৱনৰ সম্পর্ক, লেখকৰ সামাজিক দায়িত্ব আদি চিন্তাৰ আধাৰত গোহাঁইদেৰে সাহিত্যৰ বিচাৰ কৰিছে।" এই সময়ছোৱাত তেওঁ ৰচনা কৰা *সাহিত্যৰ সত্য* (1970) এখন উল্লেখনীয় সমালোচনা-কৃতি। সমালোচক ভৱেন বৰুৱাই কবিতাৰ দেহ, ভাষা আদিৰ পুংখানুপুংখ আলোচনাৰ জৰিয়তে আলংকাৰিক পদ্ধতিৰ প্রৱর্তন কৰি অসমীয়া সমালোচনা সাহিত্যলৈ নতুনত্ব আনিছে। ভৱেন বৰুৱাৰ সমালোচনাৰ স্থায়ী কৃতিত্ব হল— বিৰিঞ্চি

কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাস সম্পৰ্কে ইংৰাজীত লিখা সমালোচনা আৰু হোমেন বৰগোহাঞিৰ *সুবালা* সম্পৰ্কে নৱ মূল্যায়নৰ প্ৰচেষ্টা। হীৰেন্দ্ৰনাথ দত্তৰ মতে হীৰেন গোহাঁই আৰু ভৱেন বৰুৱাৰ লেখাবোৰৰ বিশেষত্ব হল— গৱেষণামূলক পদ্ধতিৰ পৰা সংগৃহীত গুণ তথা প্ৰণালীবদ্ধতা, শৃংখলাবোধ, পৰিমিতিবোধ, বিষয়বস্তুৰ গভীৰলৈকে যোৱাৰ চেষ্টা— এইবোৰ গুণৰ উপৰি গদ্যৰ ভাষা সঠিক আৰু পূৰ্ণ প্ৰকাশমান কৰি তুলিবৰ বাবে সদা সচেষ্ট উদ্যম।

এই দুগৰাকীৰ উপৰি আৰু এগৰাকী সমালোচকে গভীৰ অধ্যয়নশীলতা আৰু স্বকীয় দৃষ্টিভঙ্গীৰ পৰিচয় বহন কৰে— তেওঁ হ'ল হোমেন বৰগোহাঞি। *বিশ্বাস আৰু সংশয় (1968), ধূসৰ দিগন্ত*(1970) আমাৰ আলোচ্য কালছোৱাত ৰচিত তেওঁৰ উল্লেখযোগ্য সমালোচনাৰ চানেকি। তদুপৰি হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত *অসমীয়া গল্প সংকলন*ৰ পাতনিখনি অসমীয়া সমালোচনা সাহিত্যৰ এক উজ্জ্বল চানেকি। আনহাতে, অৱস্থিতিবাদ দৰ্শন আৰু সাহিত্যত ইয়াৰ প্ৰয়োগ সম্পৰ্কেও বৰগোহাঞিয়ে সমালোচনা আগবঢ়াই সচেতন পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

যোৱাটো শতিকাৰ শেষৰ তিনিটা দশকত বহু প্ৰবন্ধ আৰু সাহিত্য-সমালোচনৰ পুথি প্ৰকাশিত হৈছে। এই সময়ছোৱাৰ প্ৰবন্ধ আৰু সাহিত্য-সমালোচনা সম্পৰ্কে আলোচনা কৰিলে পোনতে এটা কথা পোহৰলৈ আহে যে, আলোচ্য কালছোৱাত প্ৰবন্ধ লিখাৰ পদ্ধতি আৰু সাহিত্য-সমালোচনাৰ ৰীতি তথা দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন ঘটিছে। এই ঠাল দুটাই আন্তৰ্জাতিক পটভূমিত বিকাশ লাভ কৰিবলৈ আৰম্ভ কৰিছে। এনে ঠালৰ গ্ৰন্থৰ প্ৰকাশ বৃদ্ধি পাইছে। লিখকসকলেও ইউৰোপীয় সাহিত্যৰ চিত্ৰকল্পবাদ, প্ৰতীকবাদ, অভিব্যক্তিবাদ, অস্তিত্ববাদ আদি বিভিন্ন আদৰ্শ আৰু আঙ্গিকৰ লগতে ফ্ৰয়েদীয় মনোবিশ্লেষণমূলক ভাবধাৰা আৰু ৰীতিৰ দ্বাৰা, মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা; চীন, জাপান, ৰুছ, আমেৰিকা, জাৰ্মান, ফ্ৰান্স আদি দেশৰ বিভিন্ন সাহিত্যকলাৰ দ্বাৰা প্ৰভাৱান্বিত আৰু পৰিপুষ্ট হৈছে। ইয়াৰ ফলত এই শ্ৰেণীৰ সাহিত্যৰ আদৰ্শ, লক্ষ্য আৰু আঙ্গিকৰ বিস্তাৰ আৰু বিকাশ সাধন হৈছে। তাৰ ফলত অসমীয়া সাহিত্য বিচাৰৰ মান আৰু ৰীতিৰো পৰিৱৰ্তন হৈছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই কালছোৱাৰ আগলৈকে সাহিত্য-সমালোচনা বুলিলে কেৱল ইংৰাজী আৰু সংস্কৃত সাহিত্যৰ আধাৰত পৰম্পৰাগতভাৱে অসমীয়া সাহিত্যৰ পৰ্যালোচনাক বুজোৱা হৈছিল। কিন্তু আমাৰ আলোচ্য কালছোৱাতে সাহিত্য-সমালোচনাৰ দিগন্তৰ অধিক প্ৰসাৰ ঘটে আৰু আন্তৰ্জাতিক পটভূমিত অসমীয়া সাহিত্যৰ মূল্যায়ন কৰাৰ প্ৰচেষ্টাৰ আৰম্ভ হয়। সমসাময়িক সমাজৰ সামাজিক, দেশৰ আৰ্থ-ৰাজনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত সাহিত্য-বিচাৰৰ প্ৰয়াস এই সময়ৰ প্ৰবন্ধ আৰু সমালোচনা সাহিত্যৰ এটি বিশেষ ৰীতি হিচাপে দেখা দিয়ে। তদুপৰি এই যুগতে প্ৰবন্ধ আৰু সমালোচনাত সাহিত্য-শিল্পৰ স্বতন্ত্ৰ সত্তাক স্বীকৃতি দি তাৰ শিল্পগত আৰু আঙ্গিকগত বিশ্লেষণৰ ওপৰতে বিশেষ গুৰুত্ব দিয়া আৰু একো একোটা কবিতা বা আন বিধৰ ৰচনাৰ সূক্ষ্ম বিশ্লেষণৰ যোগেদি তাৰ কলাগত

সার্থকতাৰ বিচাৰ কৰাৰ প্রচেষ্টা লক্ষ্য কৰা যায়।

পূর্বৱর্তী সময়তে সাহিত্যক্ষেত্রত প্রৱেশ কৰা বহু কেইজন সমালোচকে এই কালছোৱাটো প্রবন্ধ আৰু সাহিত্য সমালোচনামূলক গ্রন্থ ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। ইয়াৰে ভিতৰত হেম বৰুৱাই *সাহিত্য আৰু সমস্যা* (1979), ত্রৈলোক্যনাথ গোস্বামীয়ে *ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্রভাৱ (1970), নন্দনতত্ত্ব : প্রাচ্য আৰু পাশ্চাত্য (1980), সাহিত্য সমীক্ষণ* (1989); সত্যেন্দ্রনাথ শর্মাই *উপন্যাসৰ গতিধাৰা (1976), অসমীয়া কাহিনী কাব্যৰ প্রৱাহ* (1970) ৰচনা কৰি এই স্বৰাজোত্তৰ কালৰ দ্বিতীয়টো পর্বৰ শুভাৰম্ভ ঘটায়। প্রসংগক্রমে উল্লেখ কৰা হল যে আমাৰ আলোচ্য কালছোৱাত সাহিত্যৰ বিভিন্ন ঠালসমূহক ন ন দৃষ্টিভংগীৰে বিচাৰ কৰিবলৈ বিচৰাৰ ফলত প্রবন্ধ আৰু সমালোচনা সাহিত্যৰ সংখ্যা বৃদ্ধি পাইছিল।

আমাৰ আলোচ্য যুগটোত কবিতাৰ ইতিহাস, কবিতাৰ শ্রেণী বিভাজন, কবিতাৰ আঙ্গিক, কবিতাত পাশ্চাত্য প্রভাৱ আদি বিভিন্ন দিশক সামৰি বহু গ্রন্থ প্রকাশ পাইছে। তাৰে ভিতৰত ইমদাদ উল্লাহৰ *কবিতাৰ সবিশেষ (1983), সৃজন আৰু মনন* (1977); চন্দ্র কটকীৰ *আধুনিক অসমীয়া কবিতা* (1989), নৰকান্ত বৰুৱাৰ (সম্পাঃ) *অসমীয়া কাব্য সংগ্রহ(1973), কবিতাৰ দেহ বিচাৰ* (1987), নির্মলপ্রভা বৰদলৈৰ *কবিতাৰ কথা (1981), কবিতাৰ দেহ বিচাৰ* (1987); নীলমণি ফুকনৰ (সম্পাঃ) *কুৰি শতিকাৰ অসমীয়া কবিতা* (1977); মহেন্দ্র বৰাৰ *অসমীয়া ছন্দৰ শিল্পতত্ত্ব* (1990); মহেশ্বৰ নেওগৰ (সম্পাঃ) *সঞ্চয়ন* (1978); বীৰেশ্বৰ বৰুৱাৰ *ৰামধেনু যুগ আৰু পৰৱর্তী কাল* (1986); খগেন্দ্রনাৰায়ণ দত্ত বৰুৱাৰ *হেম বৰুৱাৰ কবিতা* (1988); পৰমানন্দ মজুমদাৰৰ কবি *হীৰেন ভট্টাচার্য আৰু তেওঁৰ কবিতা* (1986); প্রফুল্ল চন্দ্র বৰুৱাৰ *জীৱন কবিতা আৰু নৰকান্ত* (1990); হেম বৰা আৰু পূর্ণ বৰাৰ সম্পাদনা *নৰকান্ত বৰুৱাৰ জীৱন আৰু কর্ম* (1990) আদিৰ নাম উল্লেখযোগ্য। ইয়াৰে কেইবাখনো সম্পাদিত কবিতা সংকলনত সংকলিত হোৱা পাতনিসমূহে অসমীয়া কবিতাৰ গতি প্রকৃতি সম্পর্কে বিস্তৃতভাৱে আলোচনা আগবঢ়াইছে।

সাহিত্য আৰু সাহিত্য বিচাৰ সম্পর্কীয় গ্রন্থসমূহৰ ভিতৰত পৱন বৰদলৈ আৰু সতীশ চন্দ্র চৌধুৰীৰ সম্পাদনাত প্রকাশিত *মহেন্দ্র বৰা : ব্যক্তিত্ব আৰু প্রতিভা* (1987), হেমন্ত কুমাৰ শর্মাৰ সম্পাদিত *বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ সাহিত্য কৃতি* (1983), নন্দ তালুকদাৰৰ *সম্বাদ পত্রৰ ৰদ কাঁচলিত অসমীয়া সাহিত্য* (1975), নীলমণি ফুকনৰ *ৰূপ বর্ণ বাক* (1988), প্রফুল্ল কটকীৰ *সাহিত্য আৰু সংজ্ঞা* (1979), বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ *ডেৰশ বছৰীয়া অসমীয়া সংস্কৃতিত এভুমুকি* (1985), মহেন্দ্র বৰাৰ *সাহিত্য উপক্রমণিকা* (1985), *সাহিত্য আৰু সাহিত্য (1988), ৰমন্যাসবাদ* (1976); শশী শর্মাৰ *সাহিত্যত বিৱর্তন* (1984), শিৱনাথ বর্মনৰ *লোক-কৃষ্টিৰ উৎস* (1982), *শ্রীমন্ত শঙ্কৰদেৱ : কৃতি আৰু কৃতিত্ব* (1989); শৈলেন ভৰালীৰ *অসমীয়া ঐতিহাসিক উপন্যাস (1987), ট্রেজেদি*

বিচাৰ (1986), উপন্যাস : বিচাৰ আৰু বিশ্লেষণ (1989), নাট্যকলা দেশী বিদেশী (1982), নাটক আৰু অসমীয়া নাটক (1992), অসমীয়া লোকনাট্য পৰম্পৰা (1984); হীৰেন গোহাঁইৰ *কালভ্রমৰ (1977), বিশ্বায়তন (1983), সাহিত্য আৰু চেতনা (1976), সাহিত্যৰ সত্য* (1970); হীৰেন্দ্রনাথ দত্তৰ *কিতাপৰ ভৱিষ্যত* (1990); হোমেন বৰগোহাঞিৰ *জিজ্ঞাসা* (1979); তফজ্জুল আলিৰ *মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য* (1974); নগেন শইকীয়াৰ (সম্পাদনা) *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ* (1977); গোবিন্দ প্রসাদ শর্মাৰ *জীৱনী আৰু অসমীয়া জীৱনী* (1986); কৰবী ডেকা হাজৰিকাৰ *মাধৱদেৱৰ সাহিত্য আৰু কলা* (1988), কেশদা মহন্তৰ গোস্বামী *তুলসীদাস আৰু ৰামচৰিত মানস* (1971), প্রফুল্ল কটকীৰ *তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ* (1989), কেশৱানন্দ দেৱগোস্বামীৰ *সত্র সংস্কৃতিৰ ৰূপৰেখা* (1973), লীলা গগৈৰ *অসমৰ সংস্কৃতি* (1975), হেৰম্ব বৰপূজাৰীৰ *আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম* (1983), *অসমৰ নৱজাগৰণ* (1987); যতীন্দ্র কুমাৰ বৰগোহাঞিৰ *অসমৰ সাংস্কৃতিক ইতিহাস* (1989), সুৰেশচন্দ্র গোস্বামীৰ *অসমৰ নৃত্য-নাট্য-কলা* (1978), প্রসেনজিৎ চৌধুৰীৰ *সমাজ আৰু সংস্কৃতি* (1983), *ঊনবিংশ শতিকাৰ অসমত এভুমুকি (1984), অতীত অনুসন্ধান* (1990); নির্মলপ্রভা বৰদলৈৰ *দেৱী (1986), শিৱ* (1988); নীলমণি ফুকনৰ *লোক-কল্প দৃষ্টি* (1987), মহেশ্বৰ নেওগৰ *প্রাচ্য শাসনাৱলী* (1974), যোগেন্দ্রনাৰায়ণ ভূঞাৰ *ঊনবিংশ শতিকাৰ অসম সংবাদ* (1990), ৰামচৰণ ঠাকুৰীয়াৰ *পাঠ সমীক্ষাৰ প্রসঙ্গত* (1986), *ভাষা-সাহিত্য সমীক্ষা* (1990), হেমন্ত কুমাৰ শর্মাৰ *অসমীয়া সাহিত্যত দৃষ্টিপাত* (1972), ভুৱনেশ্বৰী বৈশ্যৰ *প্রাকৃত সাহিত্যৰ পৰিচয়* (1990), কুতুবুদ্দিন আহমেদৰ *ইংৰাজী সাহিত্যৰ বুৰঞ্জী* (1983), লক্ষ্মীকান্ত মহন্তৰ *বিশ্ব সাহিত্যৰ আভাস* (1990) আদি উল্লেখযোগ্য। এই গ্রন্থসমূহে কেৱল অসমীয়া সাহিত্যৰ ভঁৰালকে চহকী কৰা নাই; সাহিত্য সম্পর্কীয় আলোচনালৈ বৈচিত্র্য আৰু গভীৰতাও আনি দিছে।

এই কালছোৱাত অসমীয়া ভাষা, ব্যাকৰণ আৰু লিপি বিষয়ক ভালেমান গ্রন্থ প্রকাশ পাইছে। তাৰে ভিতৰত কালিৰাম মেধিৰ *অসমীয়া ভাষাৰ মূলকথা* (1990), মহেন্দ্র বৰা সম্পাদিত *অসমৰ জনজাতীয় ভাষাৰ লিপি* (1974), উপেন্দ্রনাথ গোস্বামীৰ *অসমীয়া লিপি* (1987) আৰু *প্রত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ* (1985), গোলোকচন্দ্র গোস্বামীৰ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* (1990), ভগৱান মৰলৰ *ভাষার্থ বিজ্ঞান* (1986), বিশ্বেশ্বৰ হাজৰিকাৰ *অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্রমবিকাশ* (বাণীকান্ত কাকতিৰ গৱেষণা গ্রন্থখনৰ অসমীয়া অনুবাদ) (1988), নাৰায়ণ দাসৰ *বিশ্বলিপিৰ ভূমিকা*, ৰমেশ পাঠকৰ *ভাষা বিজ্ঞানৰ ভূমিকা* (1980), *ব্যাকৰণ আৰু প্রাকৃতিক বিজ্ঞান* (1988); নগেন ঠাকুৰৰ *পালি-প্রাকৃত ভাষা আৰু সাহিত্য* (1984), লীলাৱতী শইকীয়া বৰাৰ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, ফণীন্দ্রনাৰায়ণ দত্ত বৰুৱাৰ *আধুনিক ভাষা বিজ্ঞান পৰিচয়*

(1990), ভীমকান্ত বৰুৱাৰ *অসমৰ ভাষা* (1990), দীপ্তি ফুকন পাটগিৰিৰ *ভাষাতত্ত্ব* আদিৰ নাম উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰি আৰু বহুতো প্ৰাবন্ধিক তথা সমালোচকে নিজৰ নিজৰ ধৰণে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিবলৈ যত্নপৰ হৈছিল।

সংস্কৃতি আৰু জনজাতীয় সংস্কৃতি, নৃতত্ত্ব সম্পৰ্কীয় ভালেমান পুথিও আমাৰ আলোচ্য যুগটোত প্ৰকাশ পাইছে। নবীনচন্দ্ৰ শৰ্মাৰ *অসমৰ লোক-সংস্কৃতিৰ আভাস* (1990), নিৰ্মলপ্ৰভা বৰদলৈৰ *অসমৰ লোক-সংস্কৃতি* (1987), শিৱনাথ বৰ্মনৰ *লোক কৃষ্টিৰ উৎস* (1982), লীলা গগৈৰ *অসমৰ সংস্কৃতি* (1986), মনবাহাদুৰ ছেত্ৰীৰ *অসমীয়া নেপালী সমাজ আৰু সংস্কৃতি* (1983), বীৰেন্দ্ৰনাথ দত্তৰ *চিফুং গুংগাং* (1986), ভুৱনমোহন দাসৰ (সম্পাদিত) *অসমৰ মানুহ* (1986), ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰৰ *গাৰো সংস্কৃতিৰ ৰূপৰেখা* (1974), ৰাজেন ৰাভাৰ *ৰাভা জনজাতি* (1974), ভবেন নাৰ্জীৰ *বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি* (1985), নিৰুপমা হাগজেৰ *ডিমাচা* (1974), ভৃগুমণি কাগ্য়ুংৰ *মিছিং সংস্কৃতিৰ আলেখ্য* (1970) আদি ভালেমান মূল্যবান গ্ৰন্থ এই কালছোৱাত প্ৰকাশ পাইছে। এই কিতাপসমূহৰ প্ৰকাশেই প্ৰমাণ কৰে যে তদানীন্তন কালত অসমত সংস্কৃতি তথা জনজাতীয় সংস্কৃতি সম্বন্ধে প্ৰণালীবদ্ধ চিন্তা-চৰ্চা তথা অধ্যয়ন চলি আছিল।

আমাৰ এই আলোচনাত প্ৰতিভাত হৈছে যে যুদ্ধোত্তৰ যুগত প্ৰবন্ধ আৰু সাহিত্য সমালোচনাৰ ক্ষেত্ৰত বিভিন্ন দৃষ্টিভঙ্গীৰে ৰচনা কৰা ভালে সংখ্যক গ্ৰন্থ প্ৰকাশ পাইছে। এই গ্ৰন্থসমূহে নিঃসন্দেহে অসমীয়া সাহিত্যৰ বুৰঞ্জীক সমৃদ্ধিশালী কৰি তুলিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ কবিতাৰ ইতিহাস, কবিতাৰ শ্ৰেণী বিভাজন, কবিতাৰ আঙ্গিক আদিৰ বিষয়ে লিখা ইমদাদ উল্লাহৰ দুখন কিতাপৰ নাম লিখক।

.....

প্ৰশ্ন নং ৪ঃ লিপি আৰু অসমীয়া লিপি সম্পৰ্কে নাৰায়ণ দাসে লিখা কিতাপখনৰ নাম কি?

.....

- **জীৱনী আৰু আত্মজীৱনী ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছৰ তিনিটা দশকত যথেষ্ট সংখ্যক জীৱনী আৰু আত্মজীৱনী প্ৰকাশ পাইছে। অৱশ্যে এই সময়ছোৱাত প্ৰকাশিত এই শ্ৰেণীৰ জীৱনীত জীৱনী সাহিত্যৰ প্ৰকৃত বৈশিষ্ট্যসমূহ প্ৰকাশ পোৱা নাছিল। সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাৰে— সম্পূৰ্ণ বৈজ্ঞানিক ভিত্তিত, নিৰপেক্ষ দৃষ্টিৰে, বীৰপূজাৰ ভাবৰপৰা নিজকে আঁতৰাই ৰাখি চৰিত্ৰ বখানিবলৈ লোৱা নায়কজনৰ সকলো দিশ অনাসক্তভাৱে চালি জাৰি চাই ৰচনা কৰা জীৱনচৰিত আমাৰ সাহিত্যত নাই বুলিলেও

বোধকৰো অত্যুক্তি কৰা নহব। তথাপি এই সময়ছোৱাতে নলিনীবালা দেৱীয়ে পিতৃ নবীন চন্দ্র বৰদলৈৰ *জীৱনী স্মৃতিতীর্থ* (1948), *ছর্দাৰ বল্লভভাই পেটেল* (1960), শশী শর্মাৰ *ৰসৰাজ বেজবৰুৱা* (1968), প্রফুল্ল দত্তগোস্বামীৰ *মাণিকচন্দ্র বৰুৱা আৰু তেওঁৰ যুগ* (1970), সত্যেন বৰকটকীৰ *নেপলিয়ন বোনাপার্ট* (1967) আদি উল্লেখযোগ্য।

এই সময়ছোৱাতে শ্রীমন্ত শংকৰদেৱৰ জীৱনৰ আধাৰত মহেশ্বৰ নেওগে ৰচনা কৰে *শ্রীশ্রী শংকৰদেৱ* (1949), ডিম্বেশ্বৰ নেওগে *যুগনায়ক শংকৰদেৱ* (1967) আৰু বাপচন্দ্র মহন্তই *মহাপুৰুষ শংকৰদেৱ* (1965)। অসম সাহিত্য সভায়ো এই সময়ছোৱাতে *নকুল চন্দ্র ভূঞা (1968), ৰঘুনাথ চৌধাৰী (1968), ৰাধাকান্ত সন্দিকৈ (1969), হেৰম্বপ্রসাদ বৰুৱা (1968), প্রমথনাথ চক্রৱর্তী (1968), বিশ্বনাথ ৰাজবংশী* (1966)ৰ জীৱনী প্রকাশ কৰে। ইয়াৰ উপৰি এই সময়ছোৱাতে পদ্মনাথ গোহাঞিবৰুৱাৰ *আত্মজীৱনী*, বেণুধৰ ৰাজখোৱাৰ *মোৰ জীৱন-দাপোণ* (1969), শৈলধৰ ৰাজখোৱাৰ *অতীতৰ সোঁৱৰণী* (1969), পদ্মধৰ চলিহাৰ *জীৱন বীণাৰ সুৰে* (1964), নজৰ আলিৰ *মোৰ জীৱনৰ কিছু কথা* (1969), নন্দমোহন মজুমদাৰৰ *এৰি অহা দিনবোৰ* (1969) প্রকাশ পায়। লগতে কেইবাজনো অসমীয়া লেখকে সৰু লৰা-ছোৱালীৰ উপযোগীকৈ ৰচনা কৰিলে বিভিন্ন বিশিষ্ট ব্যক্তিৰ চমু জীৱনী। তদুপৰি বহু প্রতিষ্ঠিত লেখকে আত্মজীৱনীৰ কিছু কথা বিভিন্ন কাকত-আলোচনীত প্রকাশ কৰিলে।

স্বৰাজোত্তৰ কালৰ দ্বিতীয় পর্বটোতো অসমীয়া জীৱনী সাহিত্যই এক নতুন মাত্রা লাভ কৰে, বিশেষকৈ জীৱনীকাৰসকলে সুখপাঠ্যতাৰ ওপৰত গুৰুত্ব প্রদান কৰি জীৱনী প্রণয়ন কৰিবলৈ আৰম্ভ কৰে। এই সময়ত ৰচিত জীৱনীসমূহৰ ভিতৰত যতীন্দ্রনাথ গোস্বামীৰ *জগন্নাথ বৰুৱা (1978), ওজা হেমচন্দ্র বৰুৱা* (1985); নন্দ তালুকদাৰৰ *কনকলাল বৰুৱা (1972), কালিৰাম মেধি (1978), সূর্যকুমাৰ ভূঞা* (1984); হৰিপ্রসাদ নেওগৰ *পদ্মনাথ গোহাঞিবৰুৱা* (1971); বেণুধৰ শর্মাৰ *হেমচন্দ্র গোস্বামী* (1972); ভৱপ্রসাদ চলিহাৰ *মহেশ্বৰ নেওগ : মানুহ আৰু কাম* (1974); আব্দুল ছাত্তাৰৰ *কৃষ্ণকান্ত সন্দিকৈ* (1975); প্রফুল্ল চন্দ্র বৰাৰ *চৈয়দ আব্দুল মালিক* (1971); তিলক দাসৰ *বিষ্ণুৰাভা এতিয়া কিমান ৰাতি* (1977); যুগল দাসৰ *মহেন্দ্রনাথ ডেকাফুকন* (1983), তীর্থনাথ শর্মাৰ *বেণুধৰ শর্মা* (1983); যোগেন্দ্র নাৰায়ণ ভূঞাৰ *দুর্গাপ্রসাদ মজিন্দাৰ বৰুৱা* (1988); ভৃগুমোহন গোস্বামীৰ *জনকৃষ্টিৰ সাধক ডক্টৰ প্রফুল্লদত্ত গোস্বামী* (1990); অতুল বৰুৱাৰ *শৰৎ চন্দ্র গোস্বামী* (1987); পৰাগ কুমাৰ ভট্টাচার্যৰ *নির্মলপ্রভাৰ অনুপম আভা* (1971); প্রফুল্লদত্ত গোস্বামীৰ *মাণিকচন্দ্র বৰুৱা আৰু তেওঁৰ যুগ (1970), মাণিক চন্দ্র বৰুৱা (1977), এটি জীয়া কাহিনী* (1979); সত্যেন বৰকটকীৰ *আডল্‌ফ হিটলাৰ* (1982); নিৰোদ চৌধুৰীৰ *ইন্দিৰা গান্ধী* (1984); শিৱনাথ বর্মনৰ *আইনষ্টাইন আৰু পদার্থ বিজ্ঞান* (1976); ৰঞ্জনা চৌধুৰীৰ *শ্রীনিবাস ৰামানুজন* (1989); নিৰোদ চৌধুৰীৰ *ৰাধাগোবিন্দ বৰুৱা* (1978); ললিত কুমাৰ বৰুৱাৰ *বিদ্যাসাগৰ* (1974); অক্ষয় কুমাৰ মিশ্রৰ ড°

সর্বপল্লী ৰাধাকৃষ্ণণ (1988); লক্ষ্যধৰ চৌধুৰীৰ *মানুহ বিচাৰি* (1987); কবীন্দ্র কুমাৰ শর্মাৰ *ভাৰতীয় বিজ্ঞানী* (1987); মহেন্দ্র বৰাৰ *কৃৰিজন বিজ্ঞানী* (1980), শীলা বৰঠাকুৰ সম্পাদিত *লেখিকাৰ জীৱনী* (1987) আদি উল্লেখযোগ্য।

এই সময়ছোৱাতে ভালেকেইখন সুখপাঠ্য আত্মজীৱনীও প্রকাশ পাইছে। তাৰে কেইখনমান হল— পদ্মনাথ গোহাঞিবৰুৱাৰ *মোৰ সোঁৱৰণি* (1971); কৃষ্ণনাথ শর্মাৰ *কৃষ্ণ শর্মাৰ ডায়েৰী* (1971); প্রতাপচন্দ্র গোস্বামীৰ *জীৱনস্মৃতি আৰু কামৰূপী সমাজ* (1970); ৰাজবালা দাসৰ *তিনি কুৰি দহ বছৰ* (1971); পূর্ণচন্দ্র শর্মাৰ *মোৰ অতীতৰ সোঁৱৰণি আৰু নগাঁও জিলাৰ মুক্তি সংগ্রাম* (1973); নিত্যানন্দ বৰদলৈৰ *পুৰণি দিনৰ ৰেঙণি* (1974); নলিনীবালা দেৱীৰ *এৰি অহা দিনবোৰ* (1977), অতুলচন্দ্র হাজৰিকাৰ *স্মৃতিৰেখা* (1981); *দেবেশ্বৰ শর্মাৰ হেৰাই যোৱা দিনবোৰ* (1980); জ্ঞানদাভিৰাম বৰুৱাৰ *মোৰ কথা* (1987); হিৰণ্য কুমাৰ ভট্টাচার্যৰ *কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ কাহিনী* (1984); বেণুধৰ শর্মাৰ *মজিয়াৰপৰা মেজলৈ* (1985); অম্বিকাগিৰি ৰায়চৌধুৰীৰ *মোৰ জীৱন ধুমুহাৰ এছাটি* (1986); লক্ষ্মীধৰ শর্মাৰ *জীৱনস্মৃতি* (1987); মহেশ্বৰ নেওগৰ *জীৱনৰ দীঘ আৰু বাণি* (1988); হোমেন বৰগোহাঞিৰ *আত্মানুসন্ধান* (1988), *মোৰ সাংবাদিক জীৱন* (1989); ত্রৈলোক্যনাথ গোস্বামীৰ *অতীতৰ কথা* (1989); চৈয়দ আব্দুল মালিকৰ *মোৰ জীৱনৰ নহ'লবোৰ* (1990); মহেন্দ্র বৰাৰ *উপলা নদীৰ দৰে* (1990) আদি উল্লেখযোগ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ শ্রীমন্ত শংকৰদেৱৰ জীৱনৰ আধাৰত মহেশ্বৰ নেওগ, ডিম্বেশ্বৰ নেওগ আৰু বাপচন্দ্র মহন্তই ৰচনা কৰা জীৱনী কেইখনৰ নাম লিখক।

.....

প্রশ্ন নং ৬ঃ বেণুধৰ শর্মাৰ আত্মজীৱনীখনৰ নাম কি?

.....



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বৰাজোত্তৰ কালৰ প্রথম দশক তিনিটাত প্রবন্ধ ৰচনাৰ ক্ষেত্রত আমি দুই ধৰণৰ ধাৰা দেখিবলৈ পাওঁ— এক হল হাস্য ৰসাত্মক নিবন্ধ আৰু দ্বিতীয় ভাগটো হল দার্শনিক, ঐতিহাসিক,

ধার্মিক বা আন তথ্যপূর্ণ প্রবন্ধ। এই সময়ছোৱাত ব্যক্তিনিষ্ঠ, লঘু ৰস-ৰচনা কিছু পৰিমাণে জনপ্রিয় হৈছিল।

- স্বৰাজোত্তৰ কালৰ আৰম্ভণিতেই অসমীয়া সমালোচনা সাহিত্যই বিকাশ লাভ কৰে। স্বৰাজোত্তৰ কালত বহু প্রবন্ধ আৰু সাহিত্য-সমালোচনৰ পুথি প্রকাশিত হৈছে। এই সময়ছোৱাৰ প্রবন্ধ আৰু সাহিত্য-সমালোচনা সম্পর্কে আলোচনা কৰিলে পোনতে এটা কথা পোহৰলৈ আহে যে, আলোচ্য কালছোৱাত প্রবন্ধ লিখাৰ পদ্ধতি আৰু সাহিত্য-সমালোচনাৰ ৰীতি তথা দৃষ্টিভঙ্গীৰ পৰিৱর্তন ঘটিছে। এই ঠাল দুটাই আন্তর্জাতিক পটভূমিত বিকাশ লাভ কৰিবলৈ আৰম্ভ কৰিছে। এনে ঠালৰ গ্রন্থৰ প্রকাশ বৃদ্ধি পাইছে।
- স্বৰাজোত্তৰ কালৰ দ্বিতীয় পর্বটোতো অসমীয়া জীৱনী সাহিত্যই এক নতুন মাত্রা লাভ কৰে, বিশেষকৈ জীৱনীকাৰসকলে সুখপাঠ্যতাৰ ওপৰত গুৰুত্ব প্রদান কৰি জীৱনী প্রণয়ন কৰিবলৈ আৰম্ভ কৰে। এই কথাষাৰ জীৱনী আৰু আত্মজীৱনী দুয়োটা ক্ষেত্রতে প্রযোজ্য।
- অধ্যায়টিত স্বৰাজোত্তৰ কালত প্রকাশিত অসমীয়া প্রবন্ধ, সমালোচনা সাহিত্য, জীৱনী আৰু আত্মজীৱনীৰো লেখ এটি দাঙি ধৰা হ'ল।



১৩.৫ অধিক জানিবলৈ

১) কটকী, প্রফুল্ল (২০০৫); *সাহিত্য আৰু সংজ্ঞা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* অসম ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

৪) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৬৭); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৫) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) শর্মা, গোৱিন্দ প্রসাদ (১৯৯৩); *জীৱনী আৰু অসমীয়া জীৱনী;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৭) শর্মা, সত্যেন্দ্রনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্বৰাজোত্তৰ কালৰ প্রথম দশক তিনিটাত প্রবন্ধ ৰচনাৰ ক্ষেত্রত আমি দুই ধৰণৰ ধাৰা দেখিবলৈ পাওঁ— এক হ'ল হাস্য ৰসাত্মক নিবন্ধ আৰু দ্বিতীয় ভাগটো হল দার্শনিক, ঐতিহাসিক, ধার্মিক বা আন তথ্যপূর্ণ প্রবন্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ ভৱানন্দ দত্তই *অসমীয়া কবিতাৰ কাহিনী* (1959) আৰু *ৰবীন্দ্র প্রতিভা* (1961) ৰচনা কৰি প্রগতিবাদী চিন্তাৰে সাহিত্য সমালোচনা কৰাৰ নতুন ধাৰা এটাৰ পোষকতা কৰিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ কবিতাৰ ইতিহাস, কবিতাৰ শ্রেণী বিভাজন, কবিতাৰ আঙ্গিক আদিৰ বিষয়ে লিখা ইমদাদ উল্লাহৰ দুখন কিতাপৰ নাম হ'ল— *কবিতাৰ সবিশেষ (1983), সৃজন আৰু মনন* (1977)।

৪ নং প্রশ্নৰ উত্তৰ ঃ লিপি আৰু অসমীয়া লিপি সম্পর্কে নাৰায়ণ দাসে লিখা কিতাপখনৰ নাম *বিশ্বলিপিৰ ভূমিকা*।

৫ নং প্রশ্নৰ উত্তৰ ঃ শ্রীমন্ত শংকৰদেৱৰ জীৱনৰ আধাৰত মহেশ্বৰ নেওগ ৰচনা কৰে *শ্রীশ্রী শংকৰদেৱ* (1949), ডিম্বেশ্বৰ নেওগে *যুগনায়ক শংকৰদেৱ* (1967) আৰু বাপচন্দ্র মহন্তই *মহাপুৰুষ শংকৰদেৱ* (1965)।

৬ নং প্রশ্নৰ উত্তৰ ঃ বেণুধৰ শর্মাৰ আত্মজীৱনীখনৰ নাম *মজিয়াৰপৰা মেজলৈ* (1985)।



১৩.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ লীলা গগৈয়ে লিখা হাস্য ৰসাত্মক নিবন্ধ পুথিখনৰ নাম কি?

প্রশ্ন ২ ঃ *বিশ্ব সাহিত্যৰ আভাস* কাৰ ৰচনা?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া জীৱনী সাহিত্য সম্পর্কে চমুকৈ লিখক।

প্রশ্ন 2 ঃ স্বৰাজোত্তৰ কালৰ প্রথম তিনিটা দশকত প্রকাশিত সংস্কৃতি, দার্শনিক ভাবাপন্ন, ঐতিহাসিক, ধার্মিক বা আন তথ্যপূর্ণ প্রবন্ধ সম্পর্কে এটি টোকা প্রস্তুত কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া জীৱনী সাহিত্যৰ এটি লেখ দাঙি ধৰক।

প্ৰশ্ন ২ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া আত্মজীৱনীৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ৩ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া সমালোচনা সাহিত্যৰ বিষয়ে এটি আলচ যুগুত কৰক।

*** ***** ***